# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ০৯ এপ্ৰিলত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ জীৱনৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক চমু বিৰৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা আগৰে পৰাই চলি আছে। তেখেত (ৰাঃ)ৰ কেনেকুৱা মৰ্যাদা আৰু স্থান আছিল এই সম্পৰ্কে হজৰত ইবনে উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)ৰ সময়ত আমাৰ মাজত এজনক আনজনতকৈ উত্তম বুলি সাব্যস্ত কৰা হৈছিল আৰু ভৰা হৈছিল যে হজৰত আবু বক্কৰ (ৰাঃ) আটাইতকৈ ভাল,তাৰ পিছত হজৰত উমৰ বিন খাত্তাব ভাল,তাৰ পিছত হজৰত উচমান বিন আফ্‌ফান হ'ল উত্তম ব্যক্তি। এনেদৰে আন এটা ৰিৱায়তত উল্লেখ আছে যে মহম্মদ বিন হানিফা নিজৰ দেউতাকৰ পৰা শুনিছিল যে এবাৰ হজৰত আলি (ৰাঃ)ক প্ৰশ্ন কৰা হৈছিল যে মুছলমান সকলৰ মাজত আটাইতকৈ উত্তম ব্যক্তি সকল কোন হয়, তেতিয়া হজৰত আলি (ৰাঃ)য়েও এই তৰতিব বৰ্ণনা কৰিছিল। যেতিয়া হজৰত আলি (ৰাঃ)ক প্ৰশ্ন কৰা হৈছিল যে কিয়,হজৰত উচমান (ৰাঃ)ৰ পিছত আপুনি আটাইতকৈ উত্তম নহয় নে? তেতিয়া হজৰত আলি (ৰাঃ)য়ে কৈছিল মই দেখোন মুছলমান সকলৰ দৰেই এজন সাধাৰণ ব্যক্তি হওঁ।

আঁ-হজৰত (ছাঃ)ৰ দৃষ্টিত হজৰত উচমান (ৰাঃ)ৰ মৰ্যাদা কেনেকুৱা আছিল সেয়া নিম্ন লিখিত ঘটনাৰ পৰা অনুমান কৰিব পাৰো। এবাৰ এজন লোকৰ জানাজা হুজুৰ পাক (ছাঃ)ৰ ওচৰত লৈ অনা হৈছিল,কিন্তু তেখেত (ছাঃ)য়ে ব্যক্তি জনৰ নমাজে জানাজা পঢ়োৱা নাছিল। তেতিয়া কোনোবাই সুধিছিল যে ইয়া ৰছুলুল্লাহ ! ইয়াৰ আগত আমি কেতিয়াও দেখা নাই যে আপুনি কাৰোবাৰ জানাজা পঢ়িবলৈ এৰি দিছে। তেতিয়া হুজুৰ পাক (ছাঃ)য়ে কৈছিল এইজন ব্যক্তিয়ে উচমানৰ সৈতে শত্ৰুতা কৰি চলিছিল গতিকে আল্লাহ তা'লাও তাৰ সৈতে শত্ৰুতা ৰাখে।

হজৰত উচমান (ৰাঃ)ৰ বিচাৰ কাৰ্য্যত ন্যায়ৰ অৱস্থা এনেকুৱা আছিল যে এবাৰ তেখেত (ৰাঃ)ৰ ভাই অলিদৰ বিৰুদ্ধে তেখেত (ৰাঃ)ৰ ওচৰত অভিযোগ উত্থাপন কৰা হৈছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে নিজৰ ভায়েকক শাস্তি বিহিছিল। তেখেত (ৰাঃ)য়ে আত্মীয়তাৰ কাৰণে ৰেহাই দিয়া নাছিল বৰং আত্মীয়তাৰ বাবে দণ্ড দুগুণ কৰি দিছিল; অৰ্থাৎ চল্লিছ কোব লগোৱাৰ সলনি আশী কোব লগোৱাৰ আদেশ দিছিল।

হজৰত উচমান (ৰাঃ)ৰ মুক্তিপ্ৰাপ্ত গোলাম (দাস) হামৰান বৰ্ণনা কৰিছে যে এবাৰ তেখেত (ৰাঃ)য়ে এটা বৰ্ত্তনত পানী লৈ অনাইছিল আৰু ভালদৰে অজু কৰিছিল। তাৰ পিছত কৈছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে যিজনে মই অজু কৰাৰ দৰে অজু কৰিব আৰু এনেদৰে দুই ৰাকাত (নমাজ) পঢ়িব যে (নমাজ পঢ়া কালীন) মনতে মনত কথা নাপাতিব (অৰ্থাৎ বেলেগ কল্পনাৰ উদয় নহ'ব) তেন্তে যিবোৰ পাপ তাৰ আগত সংগঠিত হৈছে,সেই সকলোবোৰ পাপ ক্ষমা কৰি দিয়া হ'ব।

হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত জুমাৰ দিনা হোৱা দ্বিতীয় আজানৰ বৃদ্ধি কৰা হৈছিল। ইয়াৰ আগত জুমাৰ দিনাখন প্ৰথম আজান নবী (ছাঃ)ৰ আৰু আবু বক্কৰ (ৰাঃ)ৰ আৰু হজৰত উমৰ (ৰাঃ)ৰ সময়ত,তেতিয়া দিয়া হৈছিল যেতিয়া ইমাম মেম্বৰত গৈ বহিছিল। আকৌ যেতিয়া হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত লোকৰ সংখ্যা বৃদ্ধি পাইছিল তেতিয়া এই দ্বিতীয়বাৰ আজান দিয়াৰ প্ৰথা প্ৰচলিত হৈছিল আৰু মছজিদৰ দুৱাৰ মূখত পৰি থকা পাথৰ এটাৰ ওপৰত থিয় হৈ এই আজান দিয়া হৈছিল।

ঈদৰ দিনা জুমাৰ নমাজ ছুটি হোৱা সম্পৰ্কে ৰিৱায়ত আছে যে হজৰত উচমান (ৰাঃ)য়ে ঈদৰ নমাজ পঢ়াইছিল আৰু সেয়া আছিল জুমাৰ দিন।তেখেত (ৰাঃ)য়ে খোতবা প্ৰদানৰ আগতে ঈদৰ নমাজ পঢ়াইছিল আৰু পিছত লোকলৈ খোতবা আকাৰে ভাষণ প্ৰদান কৰি কৈছিল যে হে লোক সকল ! এয়া হ'ল সেই দিন,ঈদ জমা হৈছে। গতিকে মদিনাৰ ওচৰে-পাজৰে বাস কৰা লোক সকলৰ মাজত যিসকলে জুমাৰ বাবে অপেক্ষা কৰিব বিচাৰে তেওঁলোকে অপেক্ষা কৰিব পাৰে আৰু যিসকলে ওভতি যাব বিচাৰে তেওঁলোকলৈ মোৰ ফালৰ পৰা ওভতি যোৱাৰ বাবে অনুমতি প্ৰদান কৰা হ'ল।

হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ফিকা আহমদীয়াৰ মাজত এটা কথা অৱশ্যে লিখা আছে, কিন্তু এতিয়ালৈকে তাৰ সপক্ষে মই কোনো স্পষ্ট প্ৰমাণ পোৱা নাই। তাত এয়া লিখা আছে যে হজৰত আব্দুল্লাহ বিন জাবিৰ (ৰাঃ)য়ে কৈছে- এদিনত দুটা ঈদ জমা হলে সেয়া একেলগেই পঢ়া হ'ব। সেয়ে তেখেত (ৰাঃ)য়ে দুয়োটা ঈদৰ বাবে দুই ৰাকাত দুপৰীয়াৰ আগতে পঢ়িছিল। ইয়াৰ পিছত আছৰৰ ওৱাক্তলৈ কোনো নমাজ পঢ়া নাছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই সম্পৰ্কে এতিয়াও ভালদৰে অনুসন্ধান কৰাৰ প্ৰয়োজন আছে। হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়েও একেই মত প্ৰকাশ কৰি থৈ গৈছে কাৰণ আৰু কোনো এনে ধৰণৰ ৰিৱায়ত পোৱা নাযায় যি পোনে পোনে গৈ আঁ-হজৰত (ছাঃ)ৰ আমলেৰে প্ৰমাণিত হয় যে এনেকুৱা দিনত জহৰৰ নমাজ পঢ়িবলৈ এৰি দিয়া হৈছে। এবাৰ হজৰত উমৰ (ৰাঃ)য়ে জুমাৰ খোতবা প্ৰদান কৰি আছিল এনেতে হজৰত উচমান (ৰাঃ)য়ে মছজিদত প্ৰৱেশ কৰিছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ক ইঙ্গিতেৰে টিপ মাৰি কৈছিল যে লোকৰ কি হৈছে যে তেওঁলোকে আজান হোৱাৰ পিছতও দেৰিকৈ আহে ? এয়া শুনি হজৰত উচমান (ৰাঃ)য়ে কৈছিল-হে আমিৰুল মোমিনিন! মই দেখোন আজান শুনা মাত্ৰেই অজু কৰি গুচি আহিছো। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে কি কেৱল অজু ! কিয় আপুনি ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনা পাই নে যে যেতিয়া তোমালোকৰ কোনোবাই জুমাৰ নমাজ পঢ়িবলৈ আহিব তেওঁৰ বাবে উচিত হ'ব তেওঁ যেন মছজিদলৈ অহা কৰে।

হজৰত উচমান (ৰাঃ)য়ে হাদীছৰ ৰিৱায়ত বৰ সাৱধানতা অৱলম্বন কৰিছিল। গতিকে চাহাবা সকলৰ তুলনাত হজৰত উচমান (ৰাঃ)ৰ সৈতে মিলা (মৰফু) হাদীছ বৰ কমকৈ বৰ্ণিত হৈছে।এখেত (ৰাঃ)ৰ সৰ্বমুঠ ৰিৱায়তৰ সংখ্যা ১৪৬ টা। এখেত (ৰাঃ)য়ে কৈছে যে মই ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছো যে যিজন ব্যক্তিয়ে মোৰ ফালে সেই বিষয়টো আঙুলিয়াই ক'ব যিটো মই আচলতে কোৱাই নাই,ধৰি লোৱা তেওঁ নিজৰ

ঠিকনা জাহান্নাম বনাই লয়।

ৰিৱায়ত অনুযায়ী হজৰত উচমান (ৰাঃ) য়ে আঠোটামান বিয়া পাতিছে। এই সকলোবোৰ বিয়া তেখেতে ইছলাম গ্ৰহণ কৰাৰ পিছত পাতিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মই এয়া জানো যে কোনো ব্যক্তি সেই সময়লৈকে মোমিন আৰু মুছলমান হ'ব নোৱাৰে যেতিয়ালৈকে তাৰ মাজত আবু বক্কৰ,উমৰ,আলি (ৰিজুৱানুল্লাহ আলাইহিম)ৰ দৰে ৰঙৰ জন্ম নহয়। এওঁলোক সঁচাকৈ দ্বীনৰ ক্ষেত্ৰত আমিন আছিল। তেখেত সকলে নিজৰ জীৱনটো খোদা তা'লাৰ বাটত উচ্ছৰ্গা কৰি দিছিল। কৈছে- খোদাৰ শপত ! আল্লাহ তা'লা শায়খিন আৰু তৃতীয় জুন্নুৰাইন, প্ৰত্যেকেই ইছলামৰ মঞ্চত আৰু খায়ৰুলআনাম মহম্মদ ৰছুলুল্লাহৰ প্ৰত্যেক বাহিনীৰ প্ৰথম নায়ক বনাইছে।

আকৌ তেখেত (আঃ)য়ে ছিয়া সকলৰ কথা উল্লেখ কৰোঁতে কৈছে যে মই তোমালোকৰ গালি-শপনিৰ কিনো অভিযোগ কৰিম কাৰণ তোমালোকে চাহাবা সকলক গালি পাৰিছা, আৰু উম্মাহাতুল মোমিনিন সকলক অপবাদেৰে সৈতে মনত পেলোৱা আৰু তোমালোকে ধাৰণা কৰা যে খোদা তা'লাৰ কিতাপত কিছু বেছি আৰু কিছু কম কৰা হৈছে,আৰু কোৱা যে সেয়া হ'ল উচমানৰ পকেটবুক আৰু সেয়া খোদা তা'লাৰ ফালৰ পৰা নহয়। তোমালোকে ইছলামক এনেকুৱা ভৱা যে যেনেকুৱা এটা মৰুভূমি যাৰ পৃষ্ঠভূমি শুকান আৰু শস্য শূন্য। ইয়াৰ লগতে কয় যে মোক মোৰ প্ৰভু প্ৰতিপালকৰ ফালৰ পৰা খিলাফৎ সম্পৰ্কে গভীৰ তত্ত্বৰ আচলিয়তৰ শিক্ষা দিয়া হৈছে। মোৰ ওপৰত মোৰ প্ৰভুয়ে এয়া প্ৰকাশ কৰিছে যে ছিদ্দিক আৰু ফাৰুক আৰু উচমান (ৰাঃ) সজ,মোমিন ব্যক্তি আছিল, আৰু তেওঁলোকৰ মাজত আছিল যিসকলক আল্লাহ তা'লাই বাছি লৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইমানতে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে চলা বৰ্ণনাৰ অন্ত পৰিল। আগলৈ আকৌ হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে আলোচনা কৰা হ'ব। ইনশা আল্লাহ-

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে আলইছলাম টীমৰ ফালৰ পৰা উলিওৱা কোৰ-আন কৰিমৰ নতুন চাৰ্চইঞ্জিনৰ প্ৰথম ওৱাৰজনৰ শুভাৰম্ভ কৰাৰ ঘোষণা কৰে। এই ৱেব ছাইটটো আলইছলামৰ পৰা পৃথক ভাৱেও দেখিব পৰা যাব,য'ত যিকোনো ছুৰা,আয়াত,শব্দ বা বিষয় এটা আৰবী,ইংৰাজী,উৰ্দু আদিৰে এটা নতুন চাৰ্চ ইঞ্জিনৰ জৰিয়তে বিচাৰিব পৰা যাব। এনেদৰে আলইছলাম ৱেব ছাইটত কোৰ-আন পঢ়া,শুনা আৰু চাৰ্চৰ ৱেব ছাইটৰ নতুন দিদাজেব ওৱাৰজনৰ ব্যৱস্থা কৰা হৈছে। আল্লাহ তা'লা এই প্ৰজেক্টক কোৰ-আন কৰিমৰ মনোৰম শিক্ষা জগতত প্ৰচাৰ হোৱাৰ উপায় বনাওঁক। জমাতৰ সদস্য সকলেও যেন ইয়াৰ পৰিপূৰ্ণ লাভ আহৰণ কৰোঁতা হয়।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তান আৰু আলজেৰিয়াৰ আহমদী সকলৰ নিমিত্তে বিশেষ ভাৱে দোৱা কৰাৰ আহ্বান জনায়। লগতে হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় মহম্মদ ছাদিক চাহাব (দৰগ্ৰামপুৰী),মাননীয়া মুখতাৰা চাহিবা পত্নী ৰশিদ আহমদ উঠোৱাল চাহাব (দাৰুল ঈমান ৰাবোৱা),মাননীয় মনজুৰ আহমদ শ্বাহ চাহাব, মাননীয়া হামিদা আখতাৰ চাহিবা পত্নী আব্দুৰ ৰহমান ছেলিম চাহাব(ইউ,এছ,এ) মাননীয় নাছিৰ পিটৰ লটছিন চাহাব (জাৰ্মানী) মাননীয়া ৰেজিয়া তনবিৰ চাহিবা (কানাডা),মাননীয়া মিয়া মনজুৰ আহমদ গালিব চাহাব ( ছৰগোদা) মাননীয়া হামিদ্ৰ আনৱাৰ আদনি চাহিবা, মাননীয়া আল চাহাবা আল জফৰ চাহিবা, মাননীয় চুলতান আলি ৰিহান চাহাবী, মাননীয় খালিদ ছঈদুল্লাহ আলমিচৰি চাহাব (আৰদন) মাননীয় মহম্মদ মুনিৰ চাহাব (ৰাৱোৱা),মাষ্টাৰ নজিৰ আহমদ চাহাব (ৰাৱোৱা)ৰ পৱিত্ৰ গুণাৱলীৰ চমু বিৱৰণ দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় মৌলবী গোলাম কাদিৰ চাহাবৰ (মোবাল্লিগ ছিলছিলা) ওৱাকফে

জিন্দেগী আফ কালাবিন জিলা ৰাজুৰী,জম্মু কাশ্মীৰৰ বিষয়ে বৰ্ণনা কৰোঁতে কয় যে ২০২১ চনৰ ২৬ মাৰ্চত ৫৬ বছৰ বয়সত এখেতে মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। মৰহুমৰ বংশত তেখেতৰ ককা-দেউতা মাননীয় বাহাদুৰ আলি চাহাবৰ জৰিয়তে আহমদীয়ৰ প্ৰৱেশ ঘটিছিল। এখেতৰ বংশৰ ১৩ জন ব্যক্তি আল্লাহৰ কৃপাত বৰ্তমান জমাতৰ সেৱাত নিয়োজিত আছে। মৌলবী কাদিৰ চাহাবে ৩৪ বছৰ ৬ মাহ এজন মোবাল্লিগ হিচাপে জমাতৰ খিদমত আগবঢ়াই থৈ গৈছে। মৰহুমক যি ঠাইলৈ বদলি কৰা হৈছিল তাতেই আনন্দ মনেৰে,মনোযোগেৰে পৰিশ্ৰেমেৰে শিক্ষা-দীক্ষাৰ দায়িত্ব পালন কৰি গৈছে। তবলিগলৈ বৰ উৎসা আছিল আৰু তবলিগৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সকলো সমস্যা সমাধানৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। এখেত বৰ ধৈৰ্যশীল,খোদাভীতি আৰু সাহসী মোবাল্লিগ আছিল। মৃত্যুৰ সময়ত এখেতে পত্নীৰ সৈতে তিনি পুত্ৰ আৰু দুজনী জীয়েক এৰি থৈ যায়। ইয়াৰে এজন পুত্ৰই বশিৰ উদ্দিন কাদিৰ জামিয়া আহমদীয়া কাদিয়ানৰ অন্তিম ক্লাচত অধ্যয়ন কৰি আছে। আল্লাহ্ তা'লা মৰহুমৰ সৈতে ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয়া মেহমুদা বেগম চাহিবা পত্নী মহম্মদ ছাদিক চাহাব আৰিফ দৰৱেশ কাদিয়ানৰ বিষয়ে বৰ্ণনা কৰোঁতে কয় যে মৰহুমায় ২০২১ চনৰ ৬ এপ্ৰিলত ৮৫ বছৰ বয়সত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন- মৰহুমা হজৰত কাজি আশ্ৰফ আলি চাহাব (ৰাঃ) চাহাবী হজৰত মছীহ মাওউদ (আঃ)ৰ নাতিনী আৰু কাজি শ্বাহ বক্স চাহাবৰ জীয়েক আছিল। মৰহুমা দৰবেশী অৱস্থাত স্বামীৰ সৈতে বৰ ধৈৰ্যৰ সৈতে আল্লাহৰ প্ৰশংসাত দিন পাৰ কৰিছিল। তাই দৈনিক নিয়মিত নমাজ পঢ়ি কোৰ-আন তিলাওত কৰিছিল। নিয়মিত জমাতৰ চান্দা আদায় দিছিল। খিলাফতৰ সৈতে নিগূঢ় সম্পৰ্ক ৰাখিছিল আৰু ল'ৰা-ছোৱালীক এই বিষয়ে ভালদৰে শিক্ষা দিছিল। মৰহুমা মুচি আছিল। তাই তিনিজন পুত্ৰ আৰু দুজনী জীয়েক এৰি ইহলীলা সম্বৰণ কৰিছে। আল্লাহ তা'লা মৰহুমাৰ সৈতে ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। নমাজে জুমাৰ পিছত উক্ত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি হুজুৰ (আইঃ)য়ে ঘোষণা কৰি খোতবাৰ সমাপ্তি টানে। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................
.............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844